অধ্যায় ১৪ ঃ ছন্দোমঞ্জৰী (উপেন্দ্রবজ্রা ছন্দ, ভুজঙ্গপ্রয়াত আৰু স্রগ্ধৰা)

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ আলোচিত ছন্দৰ নাম আৰু সেইবোৰৰ চমু পৰিচয়

১৪.৩.১ উপেন্দ্রবজ্রা ছন্দৰ সূত্র, উদাহৰণসহ আলোচনা আৰু এটি অতিৰিক্ত উদাহৰণৰ বিশ্লেষণ

১২.৩.২ ভুজঙ্গপ্রয়াত ছন্দৰ সূত্র, উদাহৰণসহ আলোচনা আৰু আন এটি উদাহৰণৰ বিশ্লেষণ

১৩.৩.৩ স্রগ্ধৰা ছন্দৰ সূত্র, উদাহৰণ সহ আলোচনা আৰু আন এটি অতিৰিক্ত উদাহৰণৰ বিশ্লেষণ

১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৫ অধিক জানিবলৈ

১৪.৬ অগ্রগতিৰ খতিয়ান

১৪.৭ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- উপেন্দ্রবজ্রা ছন্দৰ সূত্র, উদাহৰণসহ আলোচনা আৰু এটি অতিৰিক্ত উদাহৰণৰ বিশ্লেষণ জানিব পাৰিব
- ভুজঙ্গপ্রয়াত ছন্দৰ লক্ষণ আৰু উদাহৰণৰ বিশ্লেষণ পাব।
- স্রগ্ধৰা ছন্দৰ সূত্র, উদাহৰণ আৰু এটি অতিৰিক্ত উদাহৰণৰ বিশ্লেষণো অধ্যয়ন কৰিব পাৰিব

১৪.২ পৰিচয়

আপুনি ইতিমধ্যে ছন্দৰ কথা কিছু পৰিমাণে অধ্যয়ন কৰিছে। এতিয়া এই অধ্যায়ত কিছুমান নির্দিষ্ট ছন্দৰ সূত্র অধ্যয়ন কৰিব পাৰিব। ছন্দৰ সূত্রৰ লগে লগে ছন্দৰ উদাহৰণৰ বিশ্লেষণো অধ্যয়ন কৰিব পাৰিব। আপুনি জানিব লাগিব যে কোনো ছন্দৰ সূত্র বুজাই লিখোঁতে পৰীক্ষাত আপুনি কেৱল এটাহে উদাহৰণ দিব লাগিব।

আপুনি ইয়াত অধ্যয়ন কৰিবলৈ লোৱা ছন্দবোৰ গঙ্গাদাসৰচিত ছন্দোমঞ্জৰী নামৰ কিতাপৰ পৰা সংগ্রহ কৰা হৈছে। ছন্দৰ বিষয়ে অধ্যয়ন কৰোঁতে ছন্দোমঞ্জৰীৰ কথা পাহৰিলে নচলিব।

এই কিতাপখন অতি সহজ ভাষাত সকলোৱে বুজিব পৰাকৈ ৰচিত হৈছে। গোটেই কিতাপখন ছটি স্তৱকত ভাগ কৰি ছন্দসমূহৰ সূত্র উদাহৰণ দি বুজোৱা হৈছে। আপুনি ইয়াৰ আগৰ অধ্যায়ত ছন্দোমঞ্জৰীত আলোচিত বিষয় অধ্যয়ন কৰিছে।

১৪.৩ আলোচিত ছন্দৰ নাম আৰু সেইবোৰৰ চমু পৰিচয়

আপুনি ছন্দ শব্দৰ ব্যুৎপত্তি আৰু লগতে ছন্দৰ প্রকাৰ আদিৰ বিষয়ে পূর্বতে অধ্যয়ন কৰিছে। সংস্কৃতৰ ছন্দবোৰ বর্ণৰ মাত্রাৰ ভিত্তিত গণৰ ওপৰতহে নির্ভৰ কৰে। আপুনি ইতিমধ্যে আঠটি গণ আৰু লগতে গুৰু আৰু লঘু বর্ণৰ কথাও অধ্যয়ন কৰিছে।

ইয়াত আপুনি নির্দিষ্ট চাৰিটি ছন্দৰ সূত্র উদাহৰণসহ অধ্যয়ন কৰিবলৈ পাব। এই তিনিটি ছন্দ হৈছে— উপেন্দ্রবজ্রা, ভুজঙ্গপ্রয়াত আৰু স্রগ্ধৰা।

১৪.৩.১ উপেন্দ্রবজ্রা ছন্দৰ সূত্র, উদাহৰণসহ আলোচনা আৰু এটি অতিৰিক্ত উদাহৰণৰ বিশ্লেষণ

আপুনি হৰিণী ছন্দৰ বিষয়ে অধ্যয়ন কৰিলে। হৰিণী ছন্দৰ অতিৰিক্ত উদাহৰণৰ বিশ্লেষণো দেখিলে।

এতিয়া আপুনি উপেন্দ্রবজ্রা ছন্দৰ কথা অধ্যয়ন কৰিবলৈ পাব। আপুনি আগলৈ ইন্দ্রবজ্রা ছন্দৰ সূত্র অধ্যয়ন কৰিব। তাত দেখিবলৈ পাব যে যি ছন্দৰ প্রত্যেক চৰণত ত গণ, ত গণ, জ গণ থাকে আৰু শেষৰ বর্ণ দুটা গুৰু হয় তাক ইন্দ্রবজ্রা বোলা হয়— 'স্যাৎ ইন্দ্রবজ্রা যদি তৌ (তঃ চ তঃ চ) জগৌ (জঃ চ গঃ চ) গঃ'। কিন্তু উপেন্দ্রবজ্রা ছন্দত চৰণৰ প্রথম বর্ণটো লঘু হয় অর্থাৎ সেইটো জ গণ হ'ব লাগে। বাকী সকলো লক্ষণ ইন্দ্রবজ্রাৰ দৰেই থাকে। তেন্তে ক'ব পাৰি যে উপেন্দ্রবজ্রা ছন্দৰ চৰণত জ গণ, ত গণ, জ গণ আৰু শেষৰ দুটা বর্ণ গুৰু হ'ব লাগে। মুঠতে উপেন্দ্রবজ্রা আৰু ইন্দ্রবজ্রাৰ মাজত পার্থক্য এইখিনিতেই যে ইন্দ্রবজ্রাৰ প্রথম গণটি ত গণ আনহাতে উপেন্দ্রবজ্রাৰ প্রথম গণটি জ গণ হ'ব লাগে।

গঙ্গাদাসৰ ছন্দোমঞ্জৰীত ইন্দ্রবজ্রা ছন্দৰ সূত্র ব্যাখ্যা কৰি উঠিয়েই উপেন্দ্রবজ্রাৰ লক্ষণৰ কথা কোৱা হৈছে। উপেন্দ্রবজ্রাৰ সূত্র এইদৰে নির্ণয় কৰা হৈছে—

"উপেন্দ্রবজ্রা প্রথমে লঘৌ সা"।

উপেন্দ্রবজ্রা প্রথমে লঘৌ সা অর্থাৎ সেইটোকেই উপেন্দ্রবজ্রা বোলা হয় যেতিয়া প্রথমতে লঘু বর্ণ থাকে।

ইন্দ্রবজ্রাত প্রথমতে ত গণ থাকিব লাগে। উপেন্দ্রবজ্রাত প্রথমতে ত গণৰ প্রথম বর্ণটো লঘু হলে সেইটো জ গণ হ'ব (— — ∪ = ত গণ, ইয়াৰ প্রথমটি বর্ণ লঘু হলে ∪ — ∪ = জ গণ)। বাকীবোৰ লক্ষণ ইন্দ্রবজ্রাৰ দৰে একেই থাকিব। সেইকাৰণেই উপেন্দ্রবজ্রাৰ ছন্দৰ চৰণত গণৰ স্থিতি তলত দিয়া ধৰণে হ'ব—

জ ত জ গ গ

∪ — ∪ | — ∪ | ∪ — ∪ | — —

গণৰ অৱস্থানৰ পৰা দেখা যায় যে উপেন্দ্রবজ্রাৰ প্রত্যেক চৰণত প্রথম, তৃতীয়, ষষ্ঠ, সপ্তম, নৱম বর্ণ লঘু আৰু অৱশিষ্ট বর্ণ অর্থাৎ দ্বিতীয়, চতুর্থ, পঞ্চম, অষ্টম, দশম আৰু একাদশ বর্ণ গুৰু। উপেন্দ্রবজ্রাৰ ছন্দৰ প্রত্যেক চৰণৰ মূৱত যতি পৰিব।

উপেন্দ্রবজ্রাৰ উদাহৰণ হিচাবে তলত এটি শ্লোক উল্লেখ কৰা হ'ল --

জ ত জ গ গ

∪ — ∪ | — ∪ | ∪ — ∪ | — —

উ পে ন্দ্র | ব জ্রা দি | ম ণি চ্ছ | টা ভি

∪ — ∪ | — ∪ | ∪ — ∪ | — —

র্বি ভূ ষ | ণানাংছু | ৰি তংৱ | পুস্তে।

∪ — ∪ | — ∪ | ∪ — ∪ | — —

স্ম ৰা মি | গোপীভি | ৰুপাস্য | মানং

∪ — ∪ | — ∪ | ∪ — ∪ | — —

সু ৰ দ্রু | মূ লে ম | ণি ম ণ্ড | পস্থম্।।

এই শ্লোকফাঁকিৰ প্রত্যেক চৰণত এঘাৰটিকৈ (১১) বর্ণ আছে। প্রত্যেক চৰণৰ বর্ণবোৰৰ লঘু আৰু গুৰু বিচাৰ কৰা হৈছে। চৰণত থকা লঘু গুৰু নির্বিশেষে তিনিটিকৈ বর্ণৰ সমষ্টিত গণ ভাগ কৰা হৈছে। গণৰ লক্ষণ মতে শ্লোকফাঁকিৰ প্রত্যেক চৰণত যথাক্রমে জ গণ, ত গণ, জ গণ আৰু শেষৰ দুটা বর্ণ গুৰু দেখা গৈছে। এতেকে উপেন্দ্রবজ্রা ছন্দৰ সূত্রমতে এই শ্লোকফাঁকিক উক্ত ছন্দৰ উদাহৰণ হিচাপে গ্রহণ কৰিব পাৰি।

আপুনি ইয়াত উপেন্দ্রবজ্রা আৰু ইন্দ্রবজ্রাৰ মাজত থকা সাধাৰণ পার্থক্যৰ বিষয়ে অধ্যয়ন কৰিলে। উপেন্দ্রবজ্রাৰ ছন্দৰ সূত্রটিৰ ব্যাখ্যা আপুনি ছন্দোমঞ্জৰীত থকা এটি উদাহৰণ সহ অধ্যয়ন কৰিলে।

এতিয়া উপেন্দ্রবজ্রা ছন্দত ৰচিত আন এটি শ্লোক আপুনি অতিৰিক্ত উদাহৰণ হিচাবে বিশ্লেষণ কৰা দেখিবলৈ পাব। এই অতিৰিক্ত উদাহৰণটি কালিদাস ৰচিত ***শ্রুতবোধ*** কাব্যৰ পৰা লোৱা হৈছে। তলত শ্লোকফাঁকি লিখি বিশ্লেষণ কৰা হৈছে।

জ ত জ গ গ

∪ — ∪ | — ∪ | ∪ — ∪ | — —

য দি ন্দ্র | ব জ্রা চ | ৰ ণে ষু | পূর্বে

∪ — ∪ | — ∪ | ∪ — ∪ | — —

ভ ৱ ন্তি | ব র্ণাঃ ল | ঘ ৱঃসু | ৱর্ণে।



শ্রুতবোধ ঃ শ্রুতবোধ কবি কালিদাসৰ ৰচিত এখন কাব্য। কাব্যখন মুঠ বিয়াল্লিছটি শ্লোকত সমাপ্ত। বিভিন্ন ছন্দৰ লক্ষণ শ্লোকত কবিয়ে বর্ণনা কৰিছে। ছন্দৰ লক্ষণৰ বর্ণনাই হৈছে কাব্যৰ বিষয় বস্তু।

∪ — ∪ | — ∪ | ∪ — ∪ | — —
অ ম ন্দ | মা দ্য ন্ম | দ নেত | দানীম্
∪ — ∪ | — ∪ | ∪ — ∪ | — —
উ পে ন্দ্র | ব জ্রাক | থি তাক | ৰীন্দ্রেঃ।।

উদ্ধৃত শ্লোকফাঁকিৰ প্রত্যেক চৰণত এঘাৰটিকৈ (১১) বর্ণ আছে। প্রত্যেক চৰণৰ বর্ণবোৰৰ লঘু আৰু গুৰু বিচাৰ কৰা হৈছে। তিনিটিকৈ বর্ণৰ গোটত একোটিকৈ গণ নির্ণয় কৰা হৈছে। গণৰ লক্ষণ অনুসৰি প্রত্যেক চৰণত জ গণ, ত গণ, জ গণ আৰু শেষৰ দুটা বর্ণ গুৰু পোৱা গৈছে। শ্লোকফাঁকিত মুঠতে চৌচল্লিছটি বর্ণ আছে। উপেন্দ্রবজ্রা ছন্দৰ সূত্র অনুসৰি উদ্ধৃত শ্লোকফাঁকি উপেন্দ্রবজ্রা ছন্দত ৰচিত হৈছে বুলি ক'ব লাগিব।



জানি থোৱা ভাল

- 'প্রথমে লঘৌ' বুলি কোৱাত প্রথম বর্ণটি লঘু হোৱাত 'সা উপেন্দ্রবজ্রা' সেইটো উপেন্দ্রবজ্রা ছন্দ এনেকুৱা অর্থ হৈছে। প্রথম বর্ণটি লঘু বাকীবোৰ কিহৰ দৰে হ'ব সেইটো বুজিব লাগিব। বাকী গণ ইন্দ্রবজ্রাৰ দৰে হ'ব লাগিব।
- উপেন্দ্রবজ্রা আলোচনা কৰোঁতে ইন্দ্রবজ্রাৰ কথাও ক'ব লাগিব। উপেন্দ্রবজ্রাত প্রথম গণটো জ গণ, তাৰ পাছত ত গণ, জ গণ হ'ব আৰু চৰণৰ শেষৰ দুটা বর্ণ গুৰু হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ "উপেন্দ্রবজ্রা ছন্দৰ প্রথম বর্ণটি গুৰু হ'ব লাগে।" —বাক্যটি শুদ্ধ নে অশুদ্ধ?

.....

প্রশ্ন নং ২ ঃইন্দ্রবজ্রা আৰু উপেন্দ্রবজ্রাৰ মাজত কোনখিনিত পার্থক্য আছে লিখক।

.....

প্রশ্ন নং ৩ ঃ ত গণৰ প্রথম বর্ণটি লঘু হলে কি গণলৈ ৰূপান্তৰিত হ'ব লিখক।

.....

প্রশ্ন নং ৪ ঃ উপেন্দ্রবজ্রা ছন্দৰ প্রয়োজনীয় গণ আৰু শেষৰবর্ণ দুটা কি হ'ব লাগে লিখক।

.....

১৪.৩.২ ভুজঙ্গপ্রয়াত ছন্দৰ সূত্র, উদাহৰণসহ আলোচনা আৰু আন এটি উদাহৰণৰ বিশ্লেষণ

আপুনি বংশস্থৱিল ছন্দ অধ্যয়ন কৰাৰ পিছত ইয়াত ভুজঙ্গপ্রয়াত ছন্দৰ বিষয়ে অধ্যয়ন কৰিব। বংশস্থৱিল আৰু ভুজঙ্গপ্রয়াত এই দুয়োটি ছন্দৰ চৰণত বাৰটিকৈ বর্ণ থাকে। এই দুয়োটা ছন্দই দ্বাদশাক্ষৰা বৃত্তি জগতী ছন্দৰ অন্তর্ভুক্ত। যাৰ প্রত্যেকটি চৰণত বাৰটিকৈ আখৰ থাকে তাক জগতী ছন্দ বোলে। জগতী এবিধ বৈদিক ছন্দৰ নাম।

আপুনি এতিয়া ভুজঙ্গপ্রয়াত ছন্দ অধ্যয়ন কৰিব। ভুজঙ্গপ্রয়াত ছন্দৰ লক্ষণ এনেদৰে নির্ণয় কৰা হৈছে—

"ভুজঙ্গপ্রয়াতং চতুর্ভির্যকাৰৈঃ"।

চতুঃর্ভিঃ যকাৰৈঃ ভুজঙ্গপ্রয়াতম্ —অর্থাৎ চাৰিটা য-কাৰৰ দ্বাৰা ভুজঙ্গপ্রয়াত হয়।

সূত্রত থকা য-কাৰ পদে য-বর্ণক বুজাইছে। ইয়াত আপুনি বুজিব লাগিব যে চাৰিটা য-গণেৰে শ্লোকৰ চৰণ ৰচিত হ'লে তাক ভুজঙ্গপ্রয়াত ছন্দ বুলি কোৱা হয়। গণৰ তিনিটা বর্ণৰ ভিতৰত প্রথমটি বর্ণ লঘু আৰু অৱশিষ্ট দুটা বর্ণ গুৰু হলে তাক য-গণ বোলা হয়।

ভুজঙ্গপ্রয়াত ছন্দত গণৰ স্থিতি এইধৰণৰ—

য য য য

∪ — — | ∪ — — | ∪ — — | ∪ — —

গণৰ স্থিতিলৈ চালে দেখা যায় যে ইয়াত প্রথম, চতুর্থ, সপ্তম আৰু দশম বর্ণ লঘু হৈছে আৰু অৱশিষ্ট বর্ণ গুৰু। ভুজঙ্গপ্রয়াত ছন্দৰ প্রত্যেকটি চৰণৰ শেষত যতি পৰে। যতি শব্দই ছন্দৰ চৰণৰ মাজত বা চৰণৰ শেষত দিয়া সামান্য বিৰতিক বুজায়।

তলত ভুজঙ্গপ্রয়াত ছন্দৰ উদাহৰণ হিচাবে শ্লোক এফাঁকি বিশ্লেষণ কৰা হ'ল।

য য য য

∪ — — | ∪ — — | ∪ — — | ∪ — —

স দা ৰা | ত্মজ জ্ঞা | তিভৃত্যো | বিহায়

∪ — — | ∪ — — | ∪ — — | ∪ — —

স্বমে তং | হৃদংজী | ৱ নং লি | প্সমানঃ।

∪ — — | ∪ — — | ∪ — — | ∪ — —

ময়াক্লে | শি তঃকা | লিয়েত্থং | কুৰু ত্বম্

∪ — — | ∪ — — | ∪ — — | ∪ — —

ভু জ ঙ্গ | প্র য়া তং | দ্রুতং সা | গৰায়।

এই শ্লোকফাঁকিৰ প্রত্যেকটি চৰণত বাৰটিকৈ বর্ণ আছে। প্রত্যেকটি চৰণত তিনিটাকৈ বর্ণেৰে গণ গঠন কৰা হৈছে। প্রত্যেকটি গণৰ প্রথম বর্ণ লঘু হোৱাত য-গণ হৈছে। গতিকে শ্লোকটিৰ প্রত্যেকটি চৰণত চাৰিটাকৈ য-গণ আছে। ইয়াত প্রথম চৰণৰ অন্তিম বর্ণ 'য়' সংযুক্তবর্ণ 'স্ব'ৰ আগত থকাৰ বাবেই গুৰু হৈছে। শ্লোকফাঁকিৰ চতুর্থ চৰণৰ শেষৰ বর্ণ 'য়' ত অ-কাৰ লঘু হলেও ছন্দৰ প্রয়োজন অনুসৰি গুৰু বুলি গণ্য কৰা হৈছে।

ভুজঙ্গপ্রয়াত ছন্দৰ সকলো লক্ষণ উদ্ধৃত শ্লোকফাঁকিত আছে। সেইকাৰণেই শ্লোকফাঁকিক ভুজঙ্গপ্রয়াত শ্লোকৰ উদাহৰণ হিচাবে গ্রহণ কৰিব পাৰি।

আপুনি ভুজঙ্গপ্রয়াত ছন্দৰ সূত্র উদাহৰণসহ অধ্যয়ন কৰিলে। সেই উদাহৰণটি ছন্দোমঞ্জৰীৰ পৰা লোৱা হৈছে।

এতিয়া ইয়াত ভুজঙ্গপ্রয়াত ছন্দত ৰচিত আন এটি শ্লোকৰ বিশ্লেষণ অধ্যয়ন কৰিবলৈ পাব। এই শ্লোকফাঁকি শ্রীমৎশঙ্কৰাচার্য্যৰচিত 'স্তোত্রৰত্নাৱলী'ৰ পৰা (বেদসাৰশিৱস্তৱঃ) সংগ্রহ কৰা হৈছে। শ্লোকফাঁকি তলত উদ্ধৃত কৰা হ'ল—

∪ — — | ∪ — — | ∪ — — | ∪ — —
প শূ নাং | প তিংপা | প না শং | প ৱে শং
∪ — — | ∪ — — | ∪ — — | ∪ — —
গ জে ন্দ্র | স্য কৃত্তিং | ৱসানং | ৱৱেণ্যম্।
∪ — — | ∪ — — | ∪ — — | ∪ — —
জ টা জূ | ট ম ধ্যে | স্ফুৰদ্‌গা | ঙ্গ ৱা ৱিং
∪ — — | ∪ — — | ∪ — — | ∪ — —
ম হা দে | ৱ মেকং | স্ম ৰা মি | স্মৰাৰিম্।।

এই শ্লোকফাঁকিৰ প্রত্যেক চৰণত বাৰটিকৈ বর্ণ আছে। প্রত্যেক চৰণৰ বর্ণবোৰৰ গুৰু আৰু লঘু বিচাৰ কৰি তিনিটাকৈ বর্ণেৰে গণ বিভাজন কৰা হৈছে। গণৰ লক্ষণৰ ফালৰ পৰা শ্লোকফাঁকিৰ প্রত্যেক চৰণত চাৰিটাকৈ য-গণ থকা দেখা গৈছে।

এতেকে এই শ্লোকফাঁকি ভুজঙ্গপ্রয়াত ছন্দত ৰচিত।



জানি থোৱা ভাল

- ভুজঙ্গপ্রয়াত ছন্দ লৈ অসমৰ সংস্কৃত পণ্ডিত সমাজে বিশেষ গৌৰৱ অনুভৱ কৰে। কাৰণ অসমৰ বিখ্যাত সংস্কৃত পণ্ডিত মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্যই ভুজঙ্গপ্রয়াত ছন্দত কলিকতাত অনুষ্ঠিত সংস্কৃত পণ্ডিত সন্মিলনত ভাষণ দিছিল। তেওঁ বৃত্তমঞ্জৰী নামেৰে ছন্দৰ কিতাপ এখনো লিখি থৈ গৈছে।

- আপুনি য, ৰ আৰু ত গণৰ কথা পালে। এই তিনিটা গণ লঘু বৰ্ণৰ অৱস্থিতিৰ ওপৰত নির্ভৰ কৰে। আদি লঘু হ'লে য গণ, মধ্য বৰ্ণ লঘু হ'লে ৰ-গণ আৰু শেষৰ বৰ্ণটো লঘু হলে ত-গণ হয়। য-গণত প্রথম বৰ্ণ লঘু আৰু বাকী দুটা বৰ্ণ গুৰু হ'বই লাগিব। ৰ-গণত মাজৰ বৰ্ণটো লঘু আৰু প্রথম আৰু তৃতীয় বৰ্ণ গুৰু হ'বই লাগিব। ত-গণত শেষৰ বৰ্ণ লঘু আৰু প্রথম আৰু দ্বিতীয় বৰ্ণ গুৰু হবই লাগিব।
- পদৰ অন্তত থকা 'ম্'ক বৰ্ণ হিচাপে গণ্য কৰা নহয়। 'ম্'ক সদায় অনুস্বাৰ (ং) বুলিহে জানিব লাগে। লুপ্ত অ-কাৰ (হ্)ক কেতিয়াও বৰ্ণ বুলি গণ্য কৰিব নালাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ কেইটা য-গণেৰে ভুজঙ্গপ্রয়াত ছন্দৰ চৰণ ৰচিত হয়?

.....

প্রশ্ন নং ৬ ঃ "য-গণত শেষৰ বৰ্ণটো লঘু হ'ব লাগে।" —বাক্যটো শুদ্ধ নে অশুদ্ধ লিখক।

.....

প্রশ্ন নং ৭ ঃ ভুজঙ্গপ্রয়াত ছন্দটো কোন বৈদিক ছন্দৰ অন্তর্ভুক্ত লিখক।

.....

প্রশ্ন নং ৮ ঃ ভুজঙ্গপ্রয়াত ছন্দৰ সূত্রটোত থকা বৰ্ণবোৰৰ লঘু আৰু গুৰু বৰ্ণ বিচাৰ কৰক আৰু লগতে গণ নিৰূপণ কৰক।

.....

প্রশ্ন নং ৯ ঃ তলত দিয়া পদ দুটিৰ প্রত্যেক বৰ্ণৰ লঘু আৰু গুৰু নির্ণয় কৰক— হৰেন্দ্রঃ, ব্রজেন্দ্রঃ।

.....

১৪.৩.৩ স্রগ্ধৰা ছন্দৰ সূত্র, উদাহৰণসহ আলোচনা আৰু লগতে আন এটি অতিৰিক্ত উদাহৰণৰ বিশ্লেষণ

আপুনি মালিনী ছন্দ অধ্যয়ন কৰিলে। ইয়াত স্রগ্ধৰা ছন্দ উদাহৰণসহ অধ্যয়ন কৰিব।

গঙ্গাদাসৰ ছন্দোমঞ্জৰীত স্রগ্ধৰা ছন্দৰ সূত্র তলত উল্লেখ কৰা ধৰণে দিয়া হৈছে—

"স্রভৈনর্যানাং ত্রয়েণ ত্রিমুনিযতিযুতা স্রগ্ধৰা কীর্তিতেয়ম্"।

ম্ৰভ্নৈঃ র্যানাং ত্রয়েণ ত্রিমুনিযতিযুতা স্রক্ধৰা কীর্ত্তিতা ইয়ম্ —অর্থাৎ ম,

ৰ, ভ, ন আৰু তিনিটা য গণ যি ছন্দৰ এটা চৰণত থাকে তাক স্রগ্ধৰা ছন্দ বোলা হয়। এই ছন্দৰ প্রত্যেক চৰণত সাতোটা বর্ণৰ মূৰে মূৰে যতি পৰে।

স্রগ্ধৰা ছন্দৰ প্রত্যেক চৰণত একৈছটিকৈ বর্ণ থাকে। সেই একৈছটি বর্ণক 'ত্রিমুনি' (তিনিজন মুনি)ৰে ভাগ কৰিলে প্রত্যেক ভাগত সাতটিকৈ বর্ণ পৰে। এতেকে সাতটি বর্ণৰ মূৰে মূৰে যতি পৰিব।

স্রগ্ধৰা ছন্দৰ ক্রম অনুসৰি তলত গণবোৰৰ উল্লেখ কৰা হৈছে --

ম	ৰ	ভ	ন	য	য	য
— — —	— ∪ —	— ∪ ∪	∪ ∪ ∪	∪ — —	∪ — —	∪ — —

গণৰ অৱস্থানৰ পৰা দেখা যায় স্রগ্ধৰা ছন্দৰ প্রত্যেক চৰণত প্রথম চাৰিটা, ষষ্ঠ, সপ্তম, চতুর্দশ, পঞ্চদশ, সপ্তদশ, অষ্টাদশ, বিংশ আৰু একবিংশ বর্ণ গুৰু। প্রত্যেক চৰণত পঞ্চম, অষ্টম, নৱম, দশম, একাদশ, দ্বাদশ, ত্রয়োদশ, ষোড়শ আৰু উনবিংশ বর্ণ লঘু।

স্রগ্ধৰা ছন্দৰ এটি উদাহৰণ তলত ব্যাখ্যা কৰা হ'ল—

ম	ৰ	ভ	ন	য	য	য
— — —	— ∪ —	— ∪ ∪	∪ ∪ ∪	∪ — —	∪ — —	∪ — —
ব্যাকোষে	ন্দীৱৰা	ভাকন	ক ক ষ	লসৎপী	তৱাসাঃ	সুহাসা
— — —	— ∪ —	— ∪ ∪	∪ ∪ ∪	∪ — —	∪ — —	∪ — —
ব র্হৈ ৰু	চ্চন্দ্রকা	ন্তৈর্বল	য়ি ত চি	কু ৰাচা	ৰু কর্ণা	ৱতংসা।
— — —	— ∪ —	— ∪ ∪	∪ ∪ ∪	∪ — —	∪ — —	∪ — —
অংসব্যা	সক্তবং	শীধ্বনি	সুখিত	জ গ দ্ব	ল্লবীভি	র্লসন্তী
— — —	— ∪ —	— ∪ ∪	∪ ∪ ∪	∪ — —	∪ — —	∪ — —
মূর্তির্গো	পস্যবি	যেণাৰৱ	তু জগ	তি নঃস্র	গ্ধৰাহা	ৰি হা

ৰা।।

উদ্ধৃত শ্লোকফাঁকিৰ প্রত্যেক চৰণত একৈছটিকৈ বর্ণ আছে। প্রত্যেক চৰণৰ বর্ণবোৰৰ কোনটো লঘু আৰু কোনটো গুৰু সেইটো দেখুওৱা হৈছে। তিনিটিকৈ বর্ণৰ যোগত গণ গঠন কৰা হৈছে। গণৰ লক্ষণ অনুসৰি প্রত্যেকটি চৰণ যথাক্রমে ম, ৰ, ভ, ন, য, য আৰু য গণৰ সহযোগত ৰচিত হৈছে। এতেকে উদ্ধৃত শ্লোকফাঁকিক স্রগ্ধৰা ছন্দৰ উদাহৰণ হিচাপে গ্রহণ কৰিব পাৰি।

উদাহৰণ হিচাপে আলোচনা কৰি অহা শ্লোকটি গঙ্গাদাসৰ ছন্দোমঞ্জৰীৰ পৰা লোৱা হৈছে। ইয়াত আপুনি আন এটি শ্লোক অতিৰিক্ত উদাহৰণৰূপে বিশ্লেষণ কৰা দেখিবলৈ পাব। তলৰ শ্লোকটি কালিদাসৰ অভিজ্ঞানশকুন্তলম্ নাটকৰ পৰা লোৱা হৈছে। এইটো নাটকখনৰ প্রথম শ্লোক অর্থাৎ নান্দী শ্লোক।

ম	ৰ	ভ	ন	য	য	য
— — —	— ∪ —	— ∪ ∪	∪ ∪ ∪	∪ — —	∪ — —	∪ — —
যাসৃষ্টিঃ	স্রষ্টুৰা	দ্যা ৱহ	তিবিধি	হু তংযা	হবির্যা	চ হোত্রী
— — —	— ∪ —	— ∪ ∪	∪ ∪ ∪	∪ — —	∪ — —	∪ — —
যেদ্বেকা	লংবিধ	ত্তঃশ্রুতি	বিষয়	গু ণা যা	স্থিতাব্যা	প্যবিশ্বম্।
— — —	— ∪ —	— ∪ ∪	∪ ∪ ∪	∪ — —	∪ — —	∪ — —
যামাহুঃ	সর্বভূ	ত প্র কৃ	তিৰিতি	যয়া প্রা	ণিনঃপ্রা	ণৱন্তঃ
— — —	— ∪ —	— ∪ ∪	∪ ∪ ∪	∪ — —	∪ — —	∪ — —
প্রত্যক্ষা	ভিঃপ্রপ	ন্নস্তনু	ভি ৰ ৰ	তুব স্তা	ভিৰষ্টা	ভিৰীশঃ।।

এই শ্লোকটিৰ প্রত্যেক চৰণত একৈছটিকৈ বর্ণ আছে। প্রত্যেক চৰণত থকা বর্ণবোৰৰ লঘু আৰু গুৰু বিচাৰ কৰা হৈছে। তিনিটিকৈ বর্ণৰ গোটত একোটিকৈ গণ ভাগ কৰা হৈছে। গণৰ লক্ষণ মতে ইয়াত প্রত্যেক চৰণত ক্রমে ম গণ, ৰ গণ, ভ গণ, ন গণ, য গণ, য গণ, আৰু য গণ হৈছে।

স্রগ্ধৰা ছন্দৰ সূত্রমতে উদ্ধৃত শ্লোকফাঁকিৰ প্রত্যেক চৰণত এই গণবোৰ পোৱা গৈছে। ইয়াৰ প্রত্যেক সপ্তম বর্ণৰ মূৰে মূৰে যতি পৰিছে। গতিকে বিশ্লেষণ কৰা শ্লোকফাঁকি স্রগ্ধৰা ছন্দত ৰচিত হৈছে বুলি ক'ব পাৰি।



জানি থোৱা ভাল

- ত্রিমুনি বুলি কলে অষ্টাধ্যায়ীৰ সূত্রকাৰ পাণিনি, বার্ত্তিককাৰ কাত্যায়ন আৰু মহাভাষ্যকাৰ পতঞ্জলিক বুজায়। পাণিনিৰ ৰচিত ব্যাকৰণক অষ্টাধ্যায়ী বোলে। কাৰণ গ্রন্থখন আঠটি অধ্যায়ত বিভক্ত আৰু ইয়াত প্রায় চাৰি হাজাৰ মান সূত্র আছে। অষ্টাধ্যায়ীৰ সূত্রবোৰৰ জটিল সমস্যাবোৰ ব্যাখ্যা কৰা আলোচনাক বার্ত্তিক বোলা হৈছে। বার্ত্তিকবোৰৰ ৰচক কাত্যায়ন। অষ্টাধ্যায়ীৰ বিশদ ব্যাখ্যাক মহাভাষ্য বোলা হৈছে। মহাভাষ্যৰ ৰচক মহামুনি পতঞ্জলি।
- আপুনি ছন্দৰ সূত্র উদাহৰণসহ লিখোঁতে ছন্দটোৰ উদাহৰণ হিচাপে দিয়া শ্লোক নাইবা অতিৰিক্ত উদাহৰণ হিচাপে বিশ্লেষণ কৰা শ্লোকটো আলোচনা কৰাৰ নিচিনাকৈ লিখিলেই হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ ঃ স্রগ্ধৰা ছন্দৰ চৰণত থকা গণবোৰ সূত্রৰ ক্রম অনুসৰি লিখক।

.....

প্রশ্ন নং ১১ ঃ "স্রগ্ধৰা ছন্দৰ চৰণত প্রত্যেক সপ্তম বর্ণৰ মূৰত যতি পৰে।" —বাক্যটো শুদ্ধ নে অশুদ্ধ লিখক।

.....

প্রশ্ন নং ১২ ঃ স্রগ্ধৰা ছন্দটিৰ সূত্রটো মুখস্থ লিখক।

.....

প্রশ্ন নং ১৩ ঃ ত্রিমুনি বুলিলে কোন তিনিজন মুনিক বুজায় লিখক।

.....

প্রশ্ন নং ১৪ ঃ "স্রগ্ধৰা ছন্দটি সমবৃত্তীয়।" —বাক্যটি শুদ্ধ নে অশুদ্ধ?

.....

প্রশ্ন নং ১৫ ঃ গম্ভীৰঃ, প্রদীপঃ, অমৰঃ — এই পদ তিনিটাৰ প্রতেক্যটি বর্ণৰ লঘু আৰু গুৰু নির্ণয় কৰক।

.....

.....



১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- উপেন্দ্রবজ্রা আৰু ইন্দ্রবজ্রা ছন্দৰ মাজত থকা পার্থক্যৰ কথাও বিশেষভাৱে জানিলে।
- ভুজঙ্গপ্রয়াত ছন্দৰ সূত্র তাৰ উদাহৰণৰ বিশ্লেষণ আৰু অসমীয়া ব্যাখ্যা শিকিলে।
- স্রগ্ধৰা ছন্দৰ সূত্র উদাহৰণসহ অধ্যয়ন কৰিলে। স্রগ্ধৰা ছন্দৰ সূত্রৰ অসমীয়া ব্যাখ্যা জানিলে। স্রগ্ধৰা ছন্দৰ অতিৰিক্ত উদাহৰণৰ বিশ্লেষণো অধ্যয়ন কৰিলে।



১৪.৫ অধিক জানিবলৈ

১) শাস্ত্রী, আচার্য্য পণ্ডিত সত্য নাৰায়ণ; (সম্পা.) *ছন্দোমঞ্জৰী* (গঙ্গাদাস ৰচিত); বাৰাণসী ঃ খণ্ডুড়ী-চৌখম্বা কৃষ্ণদাস অকাদেমী।

২) মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্য, *বৃত্তমঞ্জৰী*; অসম সংস্কৃত ব'র্ড।

৩) Bose, R. M.; The Metres used in the play– *Abhijnan Sakuntalam.*



১৪.৬ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ অশুদ্ধ।

২নং প্রশ্নৰ উত্তৰ ঃ ইন্দ্র ৰজ্রা ছন্দৰ প্রথম গণটো 'ত' গণ আৰু উপেন্দ্রবজ্রা ছন্দৰ প্রথম গণটো 'জ' গণ হ'ব লাগে।

৩নং প্রশ্নৰ উত্তৰ ঃ 'ত' গণৰ প্রথম বর্ণটি লঘু হ'লে সি 'জ' গণলৈ ৰূপান্তৰিত হ'ব।

৪নং প্রশ্নৰ উত্তৰ ঃ 'উপেন্দ্রবজ্রা' ছন্দত 'জ' 'ত' 'জ' গণ আৰু শেষৰ বর্ণ দুটা গুৰু হ'ব লাগে।

৫নং প্রশ্নৰ উত্তৰ ঃ চাৰিটা।

৬নং প্রশ্নৰ উত্তৰ ঃ অশুদ্ধ।

৭নং প্রশ্নৰ উত্তৰ ঃ জগতী।

৮নং প্রশ্নৰ উত্তৰ ঃ

য য য য

∪ — — | ∪ — — | ∪ — — | ∪ — —

ভুজঙ্গপ্রয়াতং চতুর্ভির্যকাৰৈঃ।

৯নং প্রশ্নৰ উত্তৰ ঃ

∪ – – ∪ – –

হৰেন্দ্রঃ ; ব্রজেন্দ্রঃ।

১০ নং প্রশ্নৰ উত্তৰ ঃ ম, ৰ, ভ, ন, য, য আৰু য গণ।

১১নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

১২নং প্রশ্নৰ উত্তৰ ঃ 'স্রভৈনর্যাণাং ত্রয়েণ ত্রিমুনিযতিযুতা স্রগ্ধৰা কীর্তিতেয়ম্'।

১৩নং প্রশ্নৰ উত্তৰ ঃ ত্রিমুনি বুলিলে পাণিনি, কাত্যায়ন আৰু পতঞ্জলি —এই তিনিজন মুনিক বুজায়।

১৪নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

১৫নং প্রশ্নৰ উত্তৰ ঃ — — — ∪ — — ∪ ∪ —

গম্ভীৰঃ, প্রদীপঃ, অমৰঃ।



১৪.৭ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ শুদ্ধ শব্দটো লিখক—

ক) গণৰ তিনিওটি বর্ণ লঘু হলে ম গণ/ন গণ/ৰ গণ হয়।

খ) স গণত শেষৰ বর্ণটো লঘু / গুৰু হ'ব লাগে।

গ) ম গণৰ তিনিওটি বর্ণ লঘু / গুৰু হ'ব লাগে।

ঘ) স্রগ্ধৰা ছন্দৰ চৰণত ওঠৰটি / একৈছটি বর্ণ থাকে।

খ) চুটি প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ স্রগ্ধৰা ছন্দৰ এটা উদাহৰণ লিখক।

প্রশ্ন ২ ঃ ত্রিমুনি বুলিলে কাক বুজা যায় লিখক।

প্রশ্ন ৩ ঃ সূত্রৰ ক্রম অনুসৰি স্রগ্ধৰা ছন্দৰ গণবোৰৰ নাম লিখক।

গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ তলত উল্লেখ কৰা ছন্দবোৰৰ ভিতৰত যিকোনো দুটি ছন্দ উদাহৰণ দি বুজাই লিখক— উপেন্দ্রবজ্রা ছন্দ, ভুজঙ্গপ্রয়াত, স্রগ্ধৰা।

*** ***** ***



প্রসঙ্গ পুথি

১) কালিদাস; (১৯৮২); *শ্রুতবোধঃ; সংস্কৃত সাহিত্য সম্ভাৰ ১২ ভাগ;* কলিকতা ঃ নৱপত্র প্রকাশন।

২) বসু, যোগীৰাজ; (১৯৭২); *বেদৰ পৰিচয়;* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৩) মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্য, *বৃত্তমঞ্জৰী;* অসম সংস্কৃত ব'র্ড।

৪) শাস্ত্রী, আচার্য্য পণ্ডিত সত্য নাৰায়ণ; (সম্পা.) *ছন্দোমঞ্জৰী* (গঙ্গাদাস ৰচিত); বাৰাণসী ঃ খণ্ডুড়ী-চৌখম্বা কৃষ্ণদাস অকাদেমী।

৫) শর্মা, ড° দীপক কুমাৰ, *ভৱদেৱ ভাগৱতী ৰচিত সতী জয়মতী,* নলবাৰী ঃ কিতাপ ঘৰ।

৬) শর্ম্মা, শ্রী চিন্তাহৰণ; (১৯২৭) (সম্পা.) *ঋগবেদপ্রাতিশাখ্যম্* (অধ্যায় ১৬, ১৭, ১৮); কলিকতা ঃ সংস্কৃত সাহিত্য পৰিষদ।

৭) Bose, R. M.; The Metres used in the play– *Abhijnan Sakuntalam.*

৮) Sastri Khanduri, Acharya Pt. Satyanarayan, (ed.) *ছন্দোমঞ্জৰী— 'সুধা' সংস্কৃত হিন্দী ব্যাখ্যোপেতম্।*